পাঠ ৩

M6S8Y1


| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ক্য | খ্য | ণ্য | ত্য | দ্য | ন্য | | |
| ভ্য | ল্য | প্ৰ | গ্ৰ | ব্ৰ | দ্ৰ | ম্ৰ | শ্ৰ |

# অৰণ্যত দীপু



এদিন আবেলি দীপুৱে চোতালত তাৰ চাইকেলখন চাফা কৰি আছিল। এনেতে এটা শহা-পহু চোতালৰ মাজেৰে পাৰ হৈ গ'ল। দীপুৱে চাইকেলখন এৰি শহাটোৰ পাছে পাছে দৌৰিবলৈ ধৰিলে। দৌৰি দৌৰি কিমানদূৰ পালেগৈ সি গমেই নাপালে। অলপ ৰৈ সি চাৰিওফালে চালে আৰু গছ-গছনিবোৰ দেখিলে। কিছুমান ডাঙৰ গছৰ পৰা দীঘল দীঘল জৰী ওলমি আছে। দীপুৱে দেখিলে যে সি অৰণ্যত সোমাই পৰিছে। ভয় খাই সি ঘৰলৈ উলটি যাবলৈ থিৰাং কৰিলে। পিছে ঘৰলৈ যোৱাৰ বাটটো সি বিচাৰি নাপালে। বাট হেৰুৱাই দীপুৱে উচুপিবলৈ ধৰিলে।


দীপুক দেখি এটা ধনেশ পক্ষীয়ে মাত লগালে— 'হেৰা সৰু ল'ৰা, কিয় উচুপি আছা?' দীপুৱে ক'লে— 'মই ঘৰলৈ যোৱা বাটটো বিচাৰি পোৱা নাই।' ধনেশ পক্ষীয়ে দীপুক ক'লে— 'ভয় নকৰিবা, তুমি মোৰ লগত গছৰ ওপৰতে থাকিব পাৰিবা। মোৰ লগত হাড়-গিলা, ফেঁচা, বাদুলি আদিও থাকে। নাইবা তুমি সৌ গমাৰীজোপাতো থাকিব পাৰিবা, তাত বাঢ়েটোকা থাকে। আমি তোমাক মৰমেৰে ফল-মূল খাবলৈ দিম।' দীপুৱে 'গছত উঠিব নোৱাৰোঁ' বুলি কৈ গৈ থাকিল। কিছুদূৰ গৈ সি এটা জলাশয় দেখিলে। জলাশয়টোৰ পাৰতে দীপু অলপ বহিল। তাত সি কণামুচৰি, পানী কাউৰী, শৰালি আদিয়ে উমলি-জামলি থকা দেখিলে। জলাশয়ত পানী খাবলৈ অহা হৰিণা এটিয়ে দীপুক দেখি সুধিলে— 'তুমি আমন-জিমনকৈ কিয় বহি আছা?' দীপুৱে ক'লে— 'মই ঘৰলৈ যোৱাৰ বাট হেৰুৱালোঁ।' হৰিণাই ক'লে— 'তুমি আমাৰ লগতে থাকিব পাৰিবা। ইয়াত শহা-পহু, কেঁটেলা-পহু, সুগৰী পহু, গাহৰি আদি বহু প্ৰাণী আছে। আমি সকলোৱে তোমাক মৰম কৰি ৰাখিম।'



হৰিণাৰ কথালৈ কাণসাৰ নকৰি দীপুৱে এখোজ-দুখোজকৈ আগবাঢ়িবলৈ ধৰিলে। এনেতে দীপুৱে গাঁৱৰে বলভদ্ৰ ককাকক দেখি দৌৰি গৈ তেওঁক সাৱটি ধৰিলে। ককাকে দীপুক দেখি সুধিলে— 'তুমি ইয়ালৈ কিয় আহিছিলা?'

দীপুৱে ককাকক সকলো কথা বিৱৰি ক'লে। ঘৰত কাকো নোকোৱাকৈ অহাৰ বাবে দীপুক ককাকে খং কৰিলে। এনেকৈ কাকো নোকোৱাকৈ গ'লে যে বিপদ হ'ব পাৰে সেই কথা বুজালে। হাবিৰ পৰা ককাকে দীপুক ঘৰলৈ লৈ আহিল। বাটত দীপুৱে ককাকক হাবিৰ কথা ক'বলৈ ধৰিলে— 'অৰণ্যৰ প্ৰাণীবোৰ যে ইমান ভাল; সিহঁতে মানুহক অন্যায় নকৰে, মৰমহে কৰে।' ককাকে দীপুৰ কথাত হয়ভৰ দিলে। তেওঁ ক'লে— 'মানুহে বন্যপ্ৰাণীক অন্যায় কৰিব নালাগে। অৰণ্যত বহুতো মূল্যৱান গছ থাকে। সেয়েহে আমি জধে-মধে গছো কাটিব নালাগে। গছ-গছনি নহ'লে প্ৰাণীবোৰ বাচি থাকিব নোৱাৰিব।'

বলভদ্ৰ ককা আৰু দীপুৱে কথা পাতি পাতি ঘৰ পালেহি।



### উত্তৰ দিয়া—

দীপু কিয় অৰণ্যত সোমাল?
দীপুৱে অৰণ্যত কাক কাক লগ পালে?
ধনেশ পক্ষীয়ে দীপুক কি ক'লে?
জলাশয়টোত দীপুৱে কি কি চৰাই দেখা পালে?
হৰিণাৰ কথামতে অৰণ্যত থকা হ'লে দীপুৱে কাক কাক লগ পালেহেঁতেন?
অৰণ্যৰ পৰা উভতি যাব খোজোঁতে দীপুৱে কাক লগ পালে?


### ভাবি কওঁ আহা

অৰণ্যত কি কি থাকে?

১। অৰণ্যত সৰু-বৰ গছ-গছনি থাকে
২।
৩।

☞ *পাঠটো পঢ়োৱাৰ আগতে নিজৰ কথাৰে ঘটনাটো বৰ্ণনা কৰিব। শিকাৰুক ঘটনাটো ক'বলৈ দিব।*

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা



অৰণ্য

ণ্য = ণ + য় ণই য়ই ণ্য

(অন্য আখৰৰ লগত 'য়' যোগ হ'লে 'য' (য়) কাৰ ৰূপ লয়)

## 'য' (য়) কাৰ যোগ

| | | | |
|---|---|---|---|
| ক্য | ক + য় | কই য়ই | ক্য— বাক্য শাক্য |
| খ্য | খ + য় | খই য়ই | খ্য— কামাখ্যা সংখ্যা |
| ণ্য | ণ + য় | ণই য়ই | ণ্য— অৰণ্য পুণ্য |
| ত্য | ত + য় | তই য়ই | ত্য— সত্য অসত্য |
| দ্য | দ + য় | দই য়ই | দ্য— পদ্য গদ্য |
| ন্য | ন + য় | নই য়ই | ন্য— বন্য অন্য |
| ভ্য | ভ + য় | ভই য়ই | ভ্য— সভ্য অভ্যাস |
| ল্য | ল + য় | লই য়ই | ল্য— মূল্য বাল্য |

'য' কাৰ যোগ কৰি যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | |
|---|---|---|
| ণ + য় | ণই য়ই | ণ্য |
| ন + য় | নই য়ই | ন্য |
| ল + য় | লই য়ই | ল্য |
| ভ + য় | ভই য়ই | ভ্য |





| | | |
|---|---|---|
| ক + য় | কই য়ই | ক্য |
| খ + য় | খই য়ই | খ্য |
| ত + য় | তই য়ই | ত্য |
| দ + য় | দই য়ই | দ্য |



পঢ়োঁ আহা

পণ্য, পুণ্য, মান্য, ন্যায়, অন্যান্য, শল্য, তুল্য, মাল্য, অমূল্য, লভ্য, সভ্যতা, অভ্যাস, বাক্য, চাণক্য, অনৈক্য, সংখ্যা, কামাখ্যা, অসংখ্য, দৈত্য, নৃত্য, সত্য, অমাত্য, খাদ্য, নৈবেদ্য, মূল্যৱান

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা


প্রাণী   প্র = প + ৰ   পই   ৰই   প্র

(অন্য আখৰৰ পাছত 'ৰ' যোগ হ'লে 'ৰ'ৰ ৰূপ সলনি হৈ ্র (ৰ)কাৰ হয়)

## '্র' (ৰ) কাৰ যোগ

| | | | |
|---|---|---|---|
| প্র | প + ৰ | পই ৰই | প্র — প্রাণ, প্রতি |
| গ্র | গ + ৰ | গই ৰই | গ্র — গ্রহ, অগ্রজ |
| ঘ্র | ঘ + ৰ | ঘই ৰই | ঘ্র — ঘ্রাণ, ব্যাঘ্র |
| দ্র | দ + ৰ | দই ৰই | দ্র — মুদ্রা, ভদ্র |
| ম্র | ম + ৰ | মই ৰই | ম্র — নম্র, তাম্র |
| শ্র | শ + ৰ | শই ৰই | শ্র — শ্রম, আশ্রম |

‘ ্ৰ ’ (ৰ) কাৰ যোগ কৰি যুক্তাক্ষৰ গঠন কৰোঁ আহা



| | | |
|---|---|---|
| প + ৰ | পই ৰই | প্ৰ |
| গ + ৰ | গই ৰই | গ্ৰ |
| ঘ + ৰ | ঘই ৰই | ঘ্ৰ |
| দ + ৰ | দই ৰই | দ্ৰ |
| ম + ৰ | মই ৰই | ম্ৰ |
| শ + ৰ | শই ৰই | শ্ৰ |

পঢ়োঁ আহা

প্ৰাণ, প্ৰণতি, প্ৰথম, প্ৰলয়, মুদ্ৰা, দৰিদ্ৰ, দ্ৰাবিড়, দ্ৰৱণ,
গ্ৰহ, গ্ৰাস, বিগ্ৰহ, আগ্ৰহ, ব্যাঘ্ৰ, ঘ্ৰাণ, তাম্ৰ, নম্ৰ, ম্ৰিয়মাণ,
শ্ৰম, পৰিশ্ৰম, আশ্ৰম, বিশ্ৰাম, নৈবেদ্য, মূল্যৱান

পৃথিৱীত অনেক প্ৰাণী আছে। তাৰে কিছুমান ঘৰচীয়া। কিছুমান বনৰীয়া। গৰু ঘৰচীয়া প্ৰাণী। ঘাঁহ ইহঁতৰ প্ৰধান খাদ্য। বাঘক ব্যাঘ্ৰ বোলে। ই বনৰীয়া প্ৰাণী। হৰিণ বনৰীয়া প্ৰাণী হ'লেও নম্ৰ।

খালী ঠাইত ‘্য’ -কাৰ বহুৱাই শব্দ সাজি পঢ়া।

| | | | | |
|---|---|---|---|---|
| বন···· | অন···য় | অভ···াস | বাক··· | চাণক··· |
| নৃত···· | সংখ···া | পদ··· | সত··· | মূল···ৱান |
| গদ···· | অৰণ··· | সৈন··· | অমূল··· | |

*‘শ’ আৰু ‘স’ৰ লগত ‘ৰ’ ( ্ৰ ) কাৰ যোগ হ'লে ইহঁতৰ উচ্চাৰণ ‘দ্ৰ’ৰ নিচিনা হয় শিকাৰুক বুজাই ক'ব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**শব্দত থকা যুক্তাক্ষৰবোৰ ভাঙি লিখা।**

| | | | |
|---|---|---|---|
| প্ৰথম | প্ৰ = প + ৰ | পণ্য | ............ |
| নম্ৰ | ............ | মাল্য | ............ |
| সমুদ্ৰ | ............ | চাণক্য | ............ |
| আগ্ৰহ | ............ | মান্য | ............ |
| ব্যাঘ্ৰ | ............ | খাদ্য | ............ |

**ন্য আৰু প্ৰ যুক্তাক্ষৰৰ সহায়ত শব্দ গঠন কৰি লিখা।**

ৰ — ন্য
ধ — ন্য
অ — ন্য

শব্দ

............
............
............

প্ৰ — ণা — ম
প্ৰ — ☐ — য়
প্ৰ — ☐ — তি

............
............
............



☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

তলত দিয়া শব্দবোৰ পঢ়া আৰু মিল থকা যুক্তাক্ষৰযুক্ত শব্দবোৰ উপযুক্ত ঘৰত লিখা।

**অন্য, তুল্য, বাক্য, নৃত্য, মান্য, মাল্য, অনৈক্য, ধন্য, গদ্য, অমূল্য, নিত্য, বাদ্য, বন্য, শাক্য, দৈত্য, পদ্য, সৈন্য, মূল্য, খাদ্য, চাণক্য, অমাত্য, নৈবেদ্য, মূল্যৱান**

| অন্য | শল্য | ঐক্য | সত্য | পদ্য |
|---|---|---|---|---|
| মান্য | | | | |

তলৰ শব্দত থকা যুক্তাক্ষৰকেইটা ভাঙি লিখা।

অমূল্য, সামান্য, পুণ্য, সভ্যতা, নম্রতা, দৰিদ্ৰ, প্ৰতিপাল

উদাহৰণত দিয়াৰ দৰে বাকী শব্দকেইটাৰ আখৰেৰে তিনিটাকৈ শব্দ লিখা

| | |
|---|---|
| উদাহৰণ— গছা<br>গ - গছ, গৰু, গৰম<br>ছা - ছাতি, ছাগলী, ছাল | নব |
| পাত | কল |



☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কোনটো কৰা উচিত, কোনটো অনুচিত বাকচৰ ভিতৰত লিখা।

| | |
|---|---|
| অচিনাকি ঠাইলৈ অকলে যোৱা | |
| সকলো প্ৰাণীক মৰম আদৰ কৰা | |
| জধে-মধে মূল্যৱান গছ কটা | |
| ওচৰ-চুবুৰীয়াৰ লগত মিলিজুলি থকা | |
| সদায় চাফ-চিকুণকৈ থকা | |

পাঠটোত উল্লেখ থকা প্ৰাণীবিলাকৰ নাম লিখা।

.................... .................... ....................

.................... .................... ....................

.................... .................... ....................

.................... .................... ....................

ছবি চাই ঘৰচীয়া আৰু বনৰীয়া প্ৰাণীৰ নাম কওঁ আহা




নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী